# **REGIONAL NEWS UNIT**
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 08-12-2024
**Time :** 1340 Hrs.

## **Assamese Midday Bulletin**

oooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থান আৰু হাৰিয়ানা ভ্ৰমণ কৰিব।

২। গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে, যে সীমান্ত সুৰক্ষা বাহিনীয়ে সাহস, বীৰত্ব আৰু ত্যাগৰ মনোভাৱেৰে ৬ দশক ধৰি দেশৰ সীমান্ত সুৰক্ষাৰ প্ৰথমটো শাৰী শক্তিশালী কৰাৰ বাবে কাম কৰি আহিছে।

৩। আমেৰিকান ডলাৰৰ সৈতে প্ৰতিদ্বন্দিতা কৰিবলৈ ব্ৰীক্স দেশসমূহে নতুন মুদ্ৰা আৰম্ভ কৰাৰ কোনো প্ৰস্তাৱ লোৱা নাই বুলি বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে প্ৰকাশ কৰিছে।

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে  ৰাছিয়ালৈ ৰাওনা হব। ***আৰু***

৫। এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্ট মেচত অষ্ট্ৰেলিয়াই ভাৰতক ১০ উইকেটত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ৰাজস্থান আৰু হাৰিয়ানা ভ্ৰমণ কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে জয়পুৰৰ প্ৰদৰ্শনী আৰু সন্মিলন কেন্দ্ৰত ৰাইজিং ৰাজস্থান গ্লোবেল চামিট -২০২৪ ৰ উদ্বোধন কৰাৰ লগতে অনুষ্ঠানত উপস্থিত জনসাধাৰণক সম্বোধন কৰিব। প্ৰধানমন্ত্ৰীগৰাকীয়ে বিয়লিৰ ভাগত পানীপটত বীমা সখী আঁচনিৰ শুভাৰম্ভ কৰিব। উল্লেখযোগ্য যে এই আঁচনিখন ১৮ ৰ পৰা ৭০ বছৰ বয়সৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মহিলাসকলৰ সৱলিকৰণৰ উদ্দেশ্যে হাতত লোৱা হৈছে। এই অনুষ্ঠানতে শ্ৰীমোদীয়ে হাৰিয়ানাৰ কৰ্ণালত মহাৰাণা প্ৰতাপ উদ্যান শস্য বিশ্ববিদ্যালয়ৰ মূল প্ৰাঙ্গনৰ আধাৰশিলা স্থাপন কৰিব। এই বিশ্ববিদ্যালয়খনত স্নাতক আৰু স্নাতকোত্তৰ অধ্যয়নৰ বাবে এখন উদ্যান শস্য মহাবিদ্যালয় আৰু ১০ টা উদ্যান শস্য শাখা সামৰি ৫ খন বিদ্যালয় থাকিব।

ooooo

গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে, যে সীমান্ত সুৰক্ষা বাহিনীয়ে সাহস, বীৰত্ব আৰু ত্যাগৰ মনোভাৱেৰে ৬ দশক ধৰি দেশৰ সীমান্ত সুৰক্ষাৰ প্ৰথমটো শাৰী শক্তিশালী কৰাৰ বাবে কাম কৰি আহিছে।

ভাৰতীয় সীমান্ত সুৰক্ষা বাহিনীৰ ৬০ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানত ভাষণ প্ৰদান কৰি শ্ৰীশ্বাহে এই মন্তব্য আগবঢ়ায়। আৰম্ভণিৰে পৰা ভাৰতৰ ভৌগলিক অখণ্ডতা ৰক্ষা আৰু সীমান্তত শান্তি বৰ্তাই ৰখাত সীমান্ত সুৰক্ষা বাহিনীয়ে গুৰুত্ব ভূমিকা পালন কৰি আহিছে। যোধপুৰৰ বি এছ্ এফ ৰাজস্থান ফ্ৰণ্টিয়াৰ মুখ্য কাৰ্যালয়ত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসৰ পেৰেডত গৃহমন্ত্ৰী অমিত শ্বাহ মুখ্য অতিথি হিচাপে উপস্থিত আছে। আজি পুৱাৰে পৰা আৰম্ভ হোৱা অনুষ্ঠানত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বি এছ্ এফৰ জোৱানসকলে অংশগ্ৰহণ কৰিছে। অনুষ্ঠানতে বাহিনীটোৰ মহিলা জোৱান আৰু দগ স্কোৱাদেও নিজৰ সামৰ্থ আৰু শক্তি প্ৰদৰ্শন কৰে। প্ৰতিষ্ঠা দিৱসৰ

সৈতে সংগতি ৰাখি ৭ গৰাকী জোৱানক সাহসিকতাৰ পুৰস্কাৰ প্ৰদান কৰিব। অনুষ্ঠানত উপস্থিত থাকি গৃহমন্ত্ৰী অমিত শ্বাহে এইদৰে কয় ঃ

বাইট ঃ অমিত শ্বাহ

০০০০০

আমেৰিকান ডলাৰৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ ব্ৰীক্স দেশসমূহে নতুন মুদ্ৰা আৰম্ভ কৰাৰ কোনো প্ৰস্তাৱ লোৱা নাই। কাটাৰৰ ৰাজধানী দোহাত অনুষ্ঠিত সন্মিলনত অংশগ্ৰহণ কৰি ভাৰতৰ বৈদেশিক মন্ত্ৰী ড° এছ জয়শংকৰে এই কথা উল্লেখ কৰে। ড° জয়শংকৰে লগতে কয় যে, এই বিষয়ত ব্ৰীক্স দেশসমূহৰ উমৈহতীয়া স্থিতি নাই। আমেৰিকাৰ নৱ নিৰ্বাচিত ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে ব্ৰীক্স দেশসমূহে উমৈহতীয়া মুদ্ৰাৰ পৰিকল্পনা আগবঢ়াই নিলে এশ শতাংশ শুল্ক আৰোপ কৰাৰ ভাবুকি দিয়াৰ এসপ্তাহৰ পাছত ড° এছ জয়শংকৰে এই মন্তব্য আগবঢ়ায়। উল্লেখযোগ্য যে, কাটাৰৰ প্ৰধানমন্ত্ৰী তথা দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী মহম্মদ বীন আব্দুল ৰহমানৰ আমন্ত্ৰণত দোহা সন্মিলনত অংশগ্ৰহণ কৰিবলৈ ড° জয়শংকৰ কাটাৰত উপস্থিত হৈছিল।

০০০০০

বহু প্ৰত্যাশিত শীতকালীন চাৰধাম যাত্ৰা আজি উত্তৰাখণ্ডত আৰম্ভ হয়। এই চাৰধাম যাত্ৰাত ভক্তসকলক চাৰিখন পবিত্ৰ ধামৰ শীতকালীন বাসস্থান পৰিদৰ্শন কৰাৰ সুযোগ প্ৰদান কৰা হ'ব। শীতকালত ভগৱান কেদাৰনাথৰ মূৰ্তি প্ৰতিষ্ঠাপিত ৰুদ্ৰপ্ৰয়াগ জিলাৰ উখিমঠৰ ঔমকাৰেশ্বৰ মন্দিৰত উত্তৰাখণ্ডৰ মুখ্যমন্ত্ৰী পুস্কৰ সিঙ ধামিয়ে আনুষ্ঠানিকভাৱে এই ধৰ্মীয় যাত্ৰাৰ শুভাৰম্ভণি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই শীতকালীন চাৰধাম যাত্ৰা কৰা তীৰ্থযাত্ৰীসকলক সা-সুবিধা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰৰ দায়বদ্ধতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে চৰকাৰে ভক্তসকলৰ এই যাত্ৰা সমৃদ্ধিশালী আৰু মসৃণ কৰাৰ বাবে ইতিমধ্যে প্ৰয়োজনীয় সকলো প্ৰচেষ্টা হাতত লৈছে।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে ৰাছিয়ালৈ ৰাওনা হব। এই ভ্ৰমণকালত তেওঁ ৰাছিয়াৰ প্ৰতিৰক্ষা মন্ত্ৰী আন্দ্ৰে বেলোছ'ভৰ সৈতে মস্কোত যুটীয়াভাৱে সামৰিক আৰু সামৰিক প্ৰযুক্তি সহযোগিতা সম্বন্ধীয় ২১ সংখ্যক ভাৰত-ৰাছিয়া আন্তঃচৰকাৰ আয়োগৰ বৈঠকত সভাপতিত্ব কৰিব। মন্ত্ৰী দুগৰাকীয়ে সামৰিক আৰু ঔদ্যোগিক সহযোগিতাৰ ক্ষেত্ৰত দেশ দুখনৰ মাজত থকা বহুমুখী সম্পৰ্কৰ পৰ্যালোচনা কৰিব। পাৰস্পৰিক স্বাৰ্থজড়িত সমসাময়িক আঞ্চলিক আৰু বিশ্বত চলি থকা বিষয়সমূহৰ সন্দৰ্ভতো আলোচনা কৰিব। ভ্ৰমণসূচীৰ অংশ হিচাপে ৯ ডিচেম্বৰত কালিনিনগ্ৰাডত শ্ৰীসিঙে ভাৰতীয় নৌবাহিনীৰ আই এন এছ টুছিলৰ অন্তৰ্ভুক্তি কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মস্কোত থকা স্মাৰকত দ্বিতীয় বিশ্বযুদ্ধত শ্বহীদ হোৱা ছোভিয়েট সৈনিকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। মস্কোত থকা প্ৰবাসী ভাৰতীয়সকলৰ সৈতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে মত-বিনিময় অনুষ্ঠানত ভাগ ল'ব।

০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই পলাশবাৰীৰ সৈতে শুৱালকুছিৰ সংযোগ স্থাপনৰ উদ্দেশ্যে ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰিবলগীয়া চাৰিলেনযুক্ত দলঙৰ আজি ভূমিপূজন কৰে। পলাশবাৰী-শুৱালকুছি সংযোগী ১২ দশমিক ২-১ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই দলংখনৰ মুঠ ব্যয় ৩ হাজাৰ ১৯৭ কোটি ২০ লাখ টকা ধাৰ্য কৰা হৈছে। প্ৰকল্পটোৰ উল্লেখনীয় দিশসমূহ হৈছে- লুইতৰ উত্তৰ পাৰৰ শুৱালকুছি আৰু দক্ষিণ পাৰৰ পলাশবাৰীক সংযোগ কৰিবলগীয়া

এয়া এটা গ্ৰীণফিল্ড প্ৰকল্প, পলাশবাৰী আৰু শুৱালকুছিৰ সামগ্ৰিক উন্নয়নেৰে কামৰূপ মহানগৰৰ পশ্চিম অঞ্চলৰ বিকাশ ত্বৰান্বিত কৰা, শুৱালকুছি আৰু ইয়াৰ কাষৰীয়া জিলাসমূহৰ পৰা লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰলৈ পোনপটীয়া সংযোগৰ সুবিধা আগবঢ়োৱা, উচ্চ শিক্ষানুষ্ঠান আৰু উন্নত চিকিৎসা সেৱা লাভৰ ক্ষেত্ৰত দুয়োপাৰৰ জনসাধাৰণৰ বাবে সুচল যাতায়াত আৰু গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ যান-জঁট তথা বায়ু প্ৰদূষণ ৰোধৰ বাবে উদ্যোগ গ্ৰহণ কৰা।

ইয়াৰ আগেয়ে শুৱালকুছিত উপস্থিত হৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ শুৱালকুছি মণ্ডলৰ নৱনিৰ্মিত কাৰ্যালয়টো মুকলি কৰে।

00000

উত্তৰ পূৰ্বাঞ্চলৰ চহকী ঐতিহ্য আৰু বিচিত্ৰতা বিকশাই তোলাৰ বাবে নতুন দিল্লীৰ ভাৰত মণ্ডপমত অষ্টলক্ষ্মী মহোৎসৱৰ আয়োজন  কৰা হৈছে। আজি সামৰণি পৰিবলগীয়া ৩ দিনীয়া এই মহোৎসৱৰ মূল উদ্দেশ্য হৈছে অসম, মেঘালয়, মণিপুৰ, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা, মিজোৰাম, নাগালেণ্ড আৰু চিকিমৰ সম্ভাৱনাসমূহ বিকশাই তোলা। এই মহোৎসৱত ২৫০গৰাকীৰো অধিক শিল্পীয়ে হস্তশিল্প, হস্ততাঁত, বস্ত্ৰ, উদ্যানশস্যৰ উপৰি ৩৪ বিধ ভৌগলিক সূচ্যাংক অৰ্থাৎ জি আই টেগ থকা সামগ্ৰী প্ৰদৰ্শন কৰিছে।

00000

এডিলেইডত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয় টেষ্ট মেচত অষ্ট্ৰেলিয়াই ভাৰতক ১০ উইকেটত পৰাস্ত কৰে। আজি তৃতীয় দিনা ভাৰতে ৫ উইকেটৰ বিনিময়ত ১২৮ ৰানৰ পৰা দ্বিতীয় ইনিংছত খেল আৰম্ভ কৰি আটাইকেইটা উইকেট হেৰুৱাই ১৭৫  ৰাণ কৰি ১৯ ৰাণৰ লক্ষ্য বান্ধি দিয়ে। অষ্ট্ৰেলিয়াই ৩ অভাৰ ২ টা বলত কোনো উইকেট নেহেৰুৱাকৈ ভাৰতে বান্ধি দিয়া লক্ষ্যত উপনীত হয়। অষ্ট্ৰেলিয়াৰ ট্ৰেভিজ হেদে খেলখনত মেন অৱ দ্যা মেচৰ খিতাপ লাভ কৰে। এই জয়ৰ সৈতে ৫ খনীয়া টেষ্ট শৃংখলাটোত অষ্ট্ৰেলিয়াই ভাৰতৰ সৈতে ১-১ পইণ্টেৰে সমতা স্থাপন কৰিছে।

00000

ভাৰত আজি ওমানৰ মাস্কতত হ'বলগীয়া মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত বাংলাদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা চাৰে আঠ বজাৰ পৰা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত জ্যোতি সিঙে ভাৰতীয় জুনিয়ৰ মহিলা হকী দলৰ নেতৃত্ব বহন কৰিব। সাক্ষী ৰানা ভাৰতীয় দলৰ উপ-অধিনায়ক হ'ব। এই প্ৰতিযোগিতাত ১০ টা দলে ভাগ লৈছে। যোৱা বাৰৰ চেম্পিয়ন ভাৰতক চীন, মালয়েছিয়া, থাইলেণ্ড আৰু বাংলাদেশৰ সৈতে গ্ৰুপ এত স্থান দিয়া হৈছে। দক্ষিণ কোৰিয়া, জাপান, চীনা টাইপে, হংকং আৰু শ্ৰীলংকাক গ্ৰুপ বিত অন্তৰ্ভুক্ত কৰা হৈছে। জুনিয়ৰ এচিয়া কাপ হকী প্ৰতিযোগিতা অহা বছৰ ছিলিত হ'বলগীয়া এফ আই এইছ জুনিয়ৰ বিশ্বকাপৰ যোগ্যতা নিৰুপণকাৰী প্ৰতিযোগিতা। এই প্ৰতিযোগিতাৰ শীৰ্ষৰ ৫টা দলে জুনিয়ৰ বিশ্বকাপ হকী প্ৰতিযোগিতাৰ খেলাৰ সুযোগ লাভ কৰিব।

00000

সমাপ্ত